# স্পষ্টীকৰণ

আজিৰ সংখ্যাৰ (১৭-০৮-২০১৫) "আমি অসমৰ জনগণ" কাকতত প্ৰকাশিত "বেলতলাত অপদস্থ বিদেশী পৰ্যটক, নিৰ্লজ্জ ভূমিকা বশিষ্ট আৰক্ষীৰ" শীৰ্ষক বাতৰিটো আৰক্ষী আয়ুক্তৰ দৃষ্টিগোচৰ হৈছে।

এই সন্দৰ্ভত এক স্পষ্টীকৰণ যোগে কোৱা হৈছে যে, বাতৰিটো সংক্ৰান্তত এই পৰ্য্যন্ত বশিষ্ঠ তথা দিছপুৰ আৰক্ষী থানাত কোনোধৰণৰ এজাহাৰ দাখিল কৰা হোৱা নাই। ইলেক্ট্ৰনিক মিডিয়াৰ পৰা এই বিষয়ে জানিব পাৰি দিছপুৰৰ সহকাৰী আৰক্ষী আয়ুক্তই উক্ত মহিলাগৰাকীৰ লগত যোগাযোগ কৰে আৰু মহিলাগৰাকীয়ে এই সন্দৰ্ভত থানাত আহি এজাহাৰ দিব বুলি ব্যক্ত কৰে। এই সম্বন্ধে ইতিমধ্যে দিছপুৰ আৰক্ষী থানাৰ এটি বিশেষ দলে প্ৰাৰম্ভিক তদন্ত আৰম্ভ কৰিছে আৰু তদন্তৰ পিছত বিহিত ব্যৱস্থা গ্ৰহণ কৰিব। এই বাতৰি সংক্ৰান্তত উপ-আৰক্ষী আয়ুক্ত (পূৱ)ক বিস্তৃত প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। তদন্তৰ প্ৰতিবেদনৰ পিছত আইনমতে বিহিত ব্যৱস্থা লোৱা হ'ব।

মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া

অসম আৰক্ষী মুখ্য কাৰ্য্যালয়,

উলুবাৰী, গুৱাহাটী

# স্পষ্টীকৰণ

যোৱা ইং ১২-০৮-২০১৫ তাৰিখে "আমি অসমৰ জনগণ" কাকতত প্ৰকাশিত "অপহৃত মহিলাৰ সন্ধান উলিওৱাত ব্যৰ্থ আৰক্ষী" শীৰ্ষক বাতৰিটো ধুবুৰী আৰক্ষী অধীক্ষকৰ দৃষ্টিগোচৰ হৈছে।

এই সন্দৰ্ভত এক স্পষ্টীকৰণত অধীক্ষকগৰাকীয়ে কয় যে, উক্ত ঘটনা সংক্ৰান্তত বিলাসীপাৰা থানাৰ গোচৰ নং ৩৬২/২০১৫ ভাৰতীয় দণ্ডবিধি আইনৰ অধীনৰ ৩৬৬ ধাৰাত গোচৰ ৰুজু কৰি তদন্ত কৰা হৈছে। তদন্তকালত তদন্তকাৰী বিষয়াৰ প্ৰতিবেদন মৰ্মে জানিব পৰা গৈছে যে গোচৰৰ ভুক্তভোগী মহিলা মঞ্জু বৰ্মন আৰু অভিযুক্ত সঞ্জয় বৰ্মন ওচৰ সম্বন্ধীয় আৰু দুয়োৰে মাজত বহুত দিনৰ পৰা প্ৰেমজনিত সম্পৰ্ক আছে আৰু এইবাবেই ঘটনাটো সংঘটিত হোৱা বুলি জানিব পৰা গৈছে। অভিযুক্ত সঞ্জয় বৰ্মন বৰ্তমান গুজৰাটৰ কোনো ঠাইত কাম কৰি আছে বুলি জানিব পৰা গৈছে আৰু এই সংক্ৰান্তত প্ৰকৃত ঠিকনা উদ্‌ঘাটনৰ বাবে ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে। গোচৰৰ অভিযুক্ত আৰু অপহৃত মহিলাৰ শুংসূত্ৰ পালে গুজৰাট পুলিচৰ সহায়ত বিহীত ব্যৱস্থা গ্ৰহণৰ বাবে আৰক্ষীক প্ৰস্তুত কৰি ৰখা হৈছে।

১৩/০৮/২০১৫

মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া
অসম আৰক্ষী মুখ্য কাৰ্য্যালয়,
উলুবাৰী, গুৱাহাটী

# স্পষ্টীকৰণ

যোৱা ইং ১৭-০৮-২০১৫ তাৰিখে "অসমীয়া প্ৰতিদিন" কাকতত প্ৰকাশিত "বাংলাদেশীৰ ৰক্ষক হবিবুৰক গ্ৰেপ্তাৰ কৰাত ব্যৰ্থ আৰক্ষী, মৰিগাঁৱত ব্যাপক প্ৰতিক্ৰিয়া" শীৰ্ষক বাতৰিটো মৰিগাঁও আৰক্ষী অধীক্ষকৰ দৃষ্টিগোচৰ হৈছে।

এই সন্দৰ্ভত অধীক্ষকগৰাকীয়ে এক স্পষ্টীকৰণত কয় যে, যোৱা ইং ১০-০৮-২০১৫ তাৰিখে মৰিগাঁও থানাৰ সীমান্ত শাখাৰ উপ-পৰিদৰ্শক প্ৰসাদ আলীৰ নেতৃত্বত যোৱা এটা আৰক্ষী দলক মাৰপিট কৰি আদালতৰ দ্বাৰা বিদেশী বুলি ঘোষিত লোককেইজনক আৰক্ষীৰ জিম্মাৰ পৰা মোকলাই লৈ যোৱা ঘটনা সন্দৰ্ভত ইতিমধ্যেই পাঁচজন অভিযুক্তক গ্ৰেপ্তাৰ কৰা হৈছে আৰু মূল অভিযুক্ত হবিবুৰ ৰহমান চিদ্দিককে ধৰি অন্যান্য অভিযুক্তসকলক গ্ৰেপ্তাৰ কৰাৰ বাবে আৰক্ষীয়ে জোৰ অভিযান অব্যাহত ৰাখিছে। ঘটনাটো সংঘটিত কৰাৰ পিছৰ পৰাই অভিযুক্তকেইজন পলাই আছে যদিও শীঘ্ৰে তেওঁলোকক গ্ৰেপ্তাৰ কৰিবলৈ আৰক্ষী সক্ষম হ'ব বুলিও আৰক্ষী অধীক্ষকগৰাকীয়ে মন্তব্য কৰিছে।

Ok. Uu 20/08/2016

মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া
অসম আৰক্ষী মুখ্য কাৰ্য্যালয়,
উলুবাৰী, গুৱাহাটী

# স্পষ্টীকৰণ

যোৱা ইং ১৭-০৮-২০১৫ তাৰিখে "অসমীয়া প্ৰতিদিন" কাকতত প্ৰকাশিত "দুৰ্ঘটনাগ্ৰস্ত ছাত্ৰক নিৰ্মম প্ৰহাৰ, উত্তৰ গুৱাহাটী আৰক্ষী চকী ঘেৰাও কৰিলে বিশ্ববিদ্যালয়ৰ ছাত্ৰই" শীৰ্ষক বাতৰিটো কামৰূপ (গ্ৰাম্য) আৰক্ষী অধীক্ষকৰ দৃষ্টিগোচৰ হৈছে।

এই সন্দৰ্ভত এক স্পষ্টীকৰণত অধীক্ষকগৰাকীয়ে কয় যে, যোৱা ১৫-০৮-২০১৫ তাৰিখে দুৰ্ঘটনাগ্ৰস্ত বিশ্ববিদ্যালয়ৰ ছাত্ৰ মঃ মোকছাদুল ইছলাম আৰু তেওঁৰ লগৰীয়াক মাৰপিট কৰা বুলি দিয়া অভিযোগৰ ভিত্তিত চাংসাৰি থানাৰ গোচৰ নং ১৮৩/১৫ ভাৰতীয় দণ্ডবিধি আইনৰ অধীনৰ ৩২৫/২৯৪/৫০৬/৩৪ ধাৰাত গোচৰ ৰুজু কৰি তদন্ত কৰি থকা হৈছে। তদুপৰি উক্ত ঘটনাটো তদন্ত কৰিবলৈ যোৱা আৰক্ষীক কৰ্তব্যত বাধা প্ৰদান কৰা বুলি ছান্দ চাহেব আলিয়ে দিয়া অভিযোগৰ ভিত্তিতো চাংসাৰি থানাৰ গোচৰ নং ১৮৪/১৫ ভাৰতীয় দণ্ডবিধি আইনৰ অধীনৰ ৩৫৩/৩২৫/৩২৭/৩৪ ধাৰাত গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰখা হৈছে।

১৭/৮/১৫

মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া
অসম আৰক্ষী মুখ্য কাৰ্য্যালয়,
উলুবাৰী, গুৱাহাটী

# স্পষ্টীকৰণ

যোৱা ইং ১৩-০৮-২০১৫ তাৰিখৰ সংখ্যাত "দৈনিক জনমভূমি" কাকতত প্ৰকাশিত "আৰক্ষীৰ পক্ষপাতমূলক ভূমিকাৰ অভিযোগ পৰিয়ালৰ" শীৰ্ষক বাতৰিটো শোণিতপুৰ আৰক্ষী অধীক্ষকৰ দৃষ্টিগোচৰ হৈছে।

এই সন্দৰ্ভত অধীক্ষকগৰাকীয়ে স্পষ্ট কৰি দিয়ে যে, বাতৰিটোত আৰক্ষীৰ পক্ষপাতমূলক ভূমিকা আৰু আৰক্ষীয়ে ধন দাবী কৰা বুলি অনা অভিযোগ মুঠেই সত্য নহয় আৰু ভিত্তিহীন। ঘটনাটোৰ সন্দৰ্ভত কোৱা হৈছে যে যোৱা ইং ০৫-০৮-২০১৫ তাৰিখে নিবেদিতা দেৱী নামৰ এগৰাকী মহিলাই সন্ধিয়া প্ৰায় ৫-৩০ বজাত তেওঁৰ ভাগিনীয়েক লক্ষ্য বিজয় বৰাই ডিঙিত চিপ লৈ আত্মহত্যা কৰা বুলি মহাভৈৰৱ আৰক্ষী চকীত খবৰ দিয়ে। উক্ত খবৰ পাই আৰক্ষীয়ে লক্ষ্য বিজয় বৰাৰ মাতৃক ঘটনা সম্পৰ্কে খবৰ দিয়ে আৰু ঘটনাস্থলী পৰিদৰ্শন কৰি মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে কনকলতা অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। পিছৰ পৰ্য্যায়ত যোৱা ইং ০৭-০৮-২০১৫ তাৰিখে মৃতকৰ মাতৃ জ্যোতি বৰা ডেকাই মহাভৈৰৱ আৰক্ষী চকীত দাখিল কৰা এক এজাহাৰত অভিযোগ কৰে যে তেওঁৰ পুত্ৰই আত্মহত্যা কৰা বুলি কোৱা হৈছে যদিও ই এক হত্যাকাণ্ড আৰু এই হত্যাকাণ্ডত নিবেদিতা দেৱী, যোগেশ্বৰী দেৱী, নিতুমণি তালুকদাৰ আৰু তপেশ্বৰ কলিতা জড়িত আছে। এই এজাহাৰৰ ভিত্তিত তেজপুৰ থানাত ১০২৫/১৫ নম্বৰত ভাৰতীয় দণ্ডবিধি আইনৰ অধীনৰ ৩০২/৩৪ ধাৰাত গোচৰ ৰুজু কৰা হয়। উক্ত গোচৰ সন্দৰ্ভত মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন এতিয়াও পোৱা হোৱা নাই আৰু গোচৰৰ তদন্ত ক্ষিপ্ৰতাৰে চলাই থকা হৈছে।

Oh. Mr
২৮/০৮/২০১৫

মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া
অসম আৰক্ষী মুখ্য কাৰ্য্যালয়,
উলুবাৰী, গুৱাহাটী